# লংকা পৌৰ সভাৰ কাৰ্য্যালয়

লংকা :: হোজাই:: অসম ।

## পুনৰ বজাৰ নিবিদা জাননী

ইয়াৰ দ্বাৰা সৰ্ব্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হয় যে, লংকা পৌৰ সভাৰ অধীনত থকা লংকা সাপ্তাহিক বজাৰ ২০২০/২০২১ বিত্তীয় চনৰ অৰ্থাৎ ০১/০১/২০২১ তাৰিখৰ পৰা ৩১/০৩/২০২১ তাৰিখলৈ নিম্নলিখিত স্বৰ্ত সাপেক্ষে নিবিদা যোগে তিনি মাহৰ বাবে আৱন্টন দিয়া হব । ইচ্ছুক নিবিদাকাৰীয়ে লংকা পৌৰ সভাৰ কাৰ্য্যালয় চলি থকা দিনত অহা ইং ০৩/১২/২০২০ তাৰিখৰ পৰা ২৩/১২/২০২০ ইং তাৰিখলৈকে নগদ ৩০০.০০ টকা আদায় দি নিবিদা প্ৰ-পত্ৰ সংগ্ৰহ কৰিব পাৰিব। এই নিবিদা প্ৰ-পত্ৰত ৮.২৫ টকা মুলৰ Court Fees ষ্টাম্প লগাই বন্ধ লেফাফাত অহা ইং ২৪/১২/২০২০ তাৰিখৰ দিনৰ ২.০০ বজালৈকে নিম্নস্বাক্ষৰকাৰীৰ কাৰ্য্যালয়ত নিবিদা সমূহ জমা দিব পাৰিব । এই নিবিদা সমূহ একে দিনাই বিয়লী ৩.০০ বজাত পৌৰ সভাৰ কাৰ্য্যালয়ত খোলা হব। নিবিদা খোলাৰ সময়ত নিবিদাকাৰী অথবা তেওঁ লোকৰ প্ৰতিনিধি উপস্থিত থকাৰ বাবে জনোৱা হল ।

নিম্নলিখিত নিবিদা আহ্বান কৰা বজাৰ সমুহৰ কিপ ৰিতে উল্লেখ কৰা নিৰ্ধাৰিত নিম্নতম আধাৰ মুল্যৰ ওপৰত ভিত্তি কৰি নিবিদা দিব লাগিব । উক্ত মুল্যত কৈ কম নিবিদা গ্ৰহন কৰা নহব । নিবিদা গ্ৰহন কৰা আৰু নাকচ কৰাৰ চুড়ান্ত ক্ষমতা আৰু তাৰিখৰ সাল সলনি কৰাৰ ক্ষমতা নিম্নস্বাক্ষৰকাৰীৰ হাতত সংৰক্ষিত থাকিব ।

| ক্র নং | আৱন্টন দিব খোজা বজাৰ | নিৰ্দ্ধাৰিত নিম্নতম আধাৰ মুল্য (এক মাহৰ বাবে) | আমানত ধন সাধাৰন জাতিৰ লোকৰ বাবে 2% | আমানত ধন অনুসূচিত জাতি/জনজাতিৰ বাবে 1% |
|---|---|---|---|---|
| ১) | **লংকা সাপ্তাহিক বজাৰ** | **৩,১২,৫০০.০০** | **৬,২৫০.০০** | **৩১২৫.০০** |

**স্বৰ্ত্তাৱলী**

১) পৌৰ সভাৰ নিৰ্দ্দিষ্ট প্ৰ-পত্ৰৰ বাহিৰে আন কোনো প্ৰ-পত্ৰত নিবিদা গ্ৰহন কৰা নহব আৰু নিবিদা প্ৰ- পত্ৰত ৮.২৫ টকাৰ মুল্যৰ Court Fees ষ্টাম্প লগাই নিবিদা দাখিল দিব লাগিব ।

২) নিবিদা দিওঁতাই নিবিদাৰ লগত আমানত ধন হিচাবে তেওঁৰ সৰ্ব্বমুঠ নিবিদা মুল্যৰ ওপৰত সাধাৰন জাতিৰ লোকে ২% আৰু অনুসূচিত জাতি, জনজাতিৰ লোকে ১% ধন পৌৰ সভাৰ কাৰ্য্যালয়ত বেংক ড্ৰাৰ্ফ যোগে জমা দিব লাগিব। এই ধন কোনো কাৰণত জব্দ নহলে বজাৰ বন্দোৱস্তিৰ পিছত ঘূৰাই দিয়া হব।

৩) নিবিদাৰ লগত কোনোধৰণৰ দায়বদ্ধ নথকা নিজা নামৰ ম্যাদি পট্টাৰ জমাবন্দিৰ নকলকপি এটা দিব লাগিব।আনৰ নামৰ থকা ম্যাদি পট্টাৰ মাটিৰ জমাবন্দি গ্ৰহন কৰা নহব।মাটিৰ ৰাজহ আদায়ৰ প্ৰমান পত্ৰ থাকিব লাগিব।

৪) নিবিদাৰ লগত আয়কৰ আৰু বিক্ৰীকৰ আদায়ৰ প্ৰমান পত্ৰ দিব লাগিব। জি,এছ,টি নং দিব লাগিব।

৫) উচ্চতম হাৰ বা যিকোনো হাৰ গ্ৰহন কৰিবলৈ নিৰ্দিষ্ট কোনো বাধ্যবাধকতা নাথাকিব। কতৃপক্ষৰ সিদ্ধান্তই চুড়ান্ত বুলি বিবেচিত হব।

OFFICE OF THE LANKA MUNICIPAL BOARD
LANKA, HOJAI, ASSAM



৬) লংকা পৌৰ সভাৰ সকলো কৰ কাটল আদায় দিয়াৰ প্ৰমান পত্ৰ দিব লাগিব ।

৭) যাৰ নিবিদা গ্ৰহন কৰা হব তেওঁ ১(এক) মাহৰ কিস্তি ধন জামিন স্বৰূপে যাচনী পত্ৰ (offer letter) দিয়াৰ ৩(তিনি) কাৰ্য্য দিনৰ ভিতৰত আদায় দিব লাগিব। অন্যথা পৰবৰ্তী বৈধ উচ্চ নিবিদাকাৰীক বন্দোবস্তি দিয়াৰ ব্যৱস্থা কৰা হব । এই আমানত ধন আন কোনো কাৰনে জব্দ নহলে বন্দোবস্তিৰ শেষৰ এক মাহৰ কিস্তিত মিলাই দিয়া হব। হাট বজাৰৰ বন্দোবস্তি পাওঁতাই - ১০(দহ) দিনৰ ভিতৰত কবুলিয়ত আদি ৰেজিষ্টাৰ কৰি দিব লাগিব।

৮) কৃতকাৰ্য্য হোৱা নিবিদাকাৰিয়ে ইচ্ছা কৰিলে গ্ৰহন কৰা নিবিদাৰ ধন একে লগে পৌৰ সভাত জমা দিব পাৰিব ।

৯) বন্দোবস্তি পাওঁতাই প্ৰতি মাহৰ কিস্তিৰ ধন পৰবৰ্ত্তী মাহৰ ৭(সাত) তাৰিখৰ ভিতৰত সম্পুৰ্ন আদায় দিব লাগিব।

১০) কোনো কাৰনত বজাৰ বন্ধ থাকিলে বজাৰৰ কিস্তি ৰেহাই দিয়া নহব ।

১১) নিবিদা গ্ৰহন কৰাৰ ক্ষেত্ৰত যদি চৰকাৰৰ ফালৰ পৰা কোনো নিৰ্দ্দেশ পোৱা যায় , তেনে ক্ষেত্ৰত চৰকাৰৰ নিৰ্দ্দেশেই বাহাল থাকিব ।

১২) পৌৰ সভাৰ বজাৰ সমূহ পৌৰ সভাই আৰোপ কৰা স্বৰ্তাৱলী মতে বন্দোবস্তি পোৱাৰ পাছত কোনো অজুহাত দেখুৱাই অথবা ওজৰ আপত্তি কৰিলে, তেনে ওজৰ আপত্তি মানি লবলৈ পৌৰ কতৃপক্ষ বাধ্য নাথাকিব ।

১৩) হাট বজাৰৰ যিবোৰ ভিটা কৰ্তৃপক্ষই বন্দোবস্তি দিছে আৰু যিবিলাক ঘৰ তৈয়াৰ কৰি মাহিলী ভাৰাত আছে সেই বিলাকৰ পৰা মহলদাৰে হাট বজাৰৰ মাচুল আদায় কৰিব নোৱাৰিব।হাট বজাৰৰ মহলদাৰে নিম্নস্বাক্ষৰকাৰীৰ অনুমোদিত তালিকাৰ নিৰিখত কৈ অধিক মাচুল আদায় কৰিব নোৱাৰিব।

১৪) বন্দোবস্তি পাওঁতাই নিজা খৰছত পৌৰ সভাৰ অনুমোদিত খাজনাৰ নিৰিখৰ তালিকাৰ ফলক বজাৰত লগাব লাগিব ।

১৫) বন্দোবস্তি পাওঁতাই নিম্নস্বাক্ষৰকাৰীৰ নিৰ্দ্দেশ মতে কাম কৰিব লাগিব । উপৰুক্ত স্বৰ্ত সমূহ ভঙ্গ কৰিলে নিম্নস্বাক্ষৰকাৰীৰ জৰিমনা বা হাট বজাৰৰ বন্দোবস্তি নাকচ কৰাৰ ব্যৱস্থা লব পাৰিব ।

১৬) নিবিদা সম্পৰ্কিত কোনো ধৰনৰ যাল সলনি হলে পৌৰ সভাৰ জাননী ফলক যোগে জনোৱা হব ।

১৭) হাট বজাৰৰ ঠাই আৰু দোকান আদিৰ ঠাই ম্যাদৰ ভিতৰত সালসলনি কৰা ক্ষমতা নিম্নস্বাক্ষৰকাৰীৰ থাকিব।তাৰ বাবে মহলদাৰে কোনো ধৰণৰ ক্ষয়ক্ষতি দাবি কৰিব নোৱাৰিব।

১৮) মহলদাৰে হাট বজাৰ পৰিস্কাৰ পৰিচ্ছন্ন কৰি ৰাখিব লাগিব।

(৩)

স্মাৰ নং এলএম,বি - ৫/ ২০২০/৬৬৭-৬৭৮. তাৰিখ - ০৩/১২/২০২০.

ইয়াৰ প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বহুল প্ৰচাৰৰ বাবে আগবঢ়োৱা হল।

১) সচিব,চহৰ উন্নয়ন বিভাগ, দিচপুৰ অসম।

২) সঞ্চালক, পৌৰ প্ৰশাসন বিভাগ, গুৱাহাটী, অসম।

৩) হোজাই জিলাৰ উপায়ুক্ত, হোজাই।

৪) অসম বিধান সভাৰ হোজাই ও লামডিং সমষ্টিৰ বিধায়ক মহোদয়লৈ।

৫) লংকা ৰাজহ চক্ৰৰ চক্ৰ বিষয়ালৈ।

৬) SDPIRO হোজাই, শংকৰদেৱনগৰ ।

৭) লংকা থানাৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ।

৮) পূৰ্বৰ বজাৰ মহলদাৰলৈ (সাপ্তাহিক ও দৈনিক)।

৯) লংকা কোঃঅঃমাৰ্কেটিং ছোচাইটি ।

১০) লংকা চেম্বাৰ্চ অফ্ কমাৰ্চ কাৰ্য্যালয়লৈ।

১১) কাৰ্য্যালয়ৰ জাননী ফলিত।

১২) কাৰ্য্যালয়ৰ নথি।

কাৰ্য্যবাহী বিষয়া
লংকা পৌৰ সভা।

Executive Officer
Lanka Municipal Board
Lanka : Hojai : Assam